
## কেঁচু সংশোধন শৌচালয়

ভাৰতবৰ্ষত কেঁচুৰদ্বাৰা মানুহৰ মল-মূত্ৰবোৰ পচোৱা শৌচাগাৰ পৰীক্ষা কৰি থকা হৈছে। মানুহৰ বৰ্জিত মল-মূত্ৰবোৰৰ নিষ্পত্তি কৰিবলৈ ই এক কম পানী ব্যৱহাৰৰ অভিনৱ শৌচালয় হিচাপে গণ্য হৈছে। শৌচালয়টোৰ কৰ্মপদ্ধতি বৰ সহজ আৰু স্বাস্থ্য সন্মত। মানুহৰ মল-মূত্ৰবোৰ সম্পূৰ্ণৰূপে কেঁচুমতালৈ ৰূপান্তৰিত হয় যি মাটিৰ বাবে এটি প্ৰয়োজনীয় সম্পদ বুলিব পাৰি।

পানীত পোনপটীয়াকৈ মল ত্যাগ কৰে। স্বাস্থ্যৰ বাবে অপকাৰী। ই পানী আৰু মাটিৰ প্ৰদূষণ ঘটাব পাৰে। ভূ-পৃষ্ঠৰ পানী আৰু ভূ-গৰ্ভস্থ পানী দুয়োবিধে প্ৰদূষিত হয়। অধ্যায় ১৬ ত তোমালোকে শিকি আহিছা যে কুৰা, দমকল, নিজৰা আৰু বহুতো নদীৰ উৎস ভূগৰ্ভস্থ পানী। এইদৰে পানীজনিত ৰোগসমূহৰ বাবে পানী এক বাহক হিচাপে কাম কৰে। পানীজনিত এই ৰোগসমূহৰ ভিতৰত ক'লেৰা, টাইফয়েড, পলিঅ', মেনিনজাইটিছ, হেপাটাইটিছ আৰু গ্ৰহণী অন্যতম।

### ১৮.৮ মলিয়ন বৰ্জিত পানী নিষ্পত্তিকৰণৰ বিকল্প ব্যৱস্থা ঃ

অনাময় ব্যৱস্থা উন্নত কৰাৰ বাবে কম-খৰচী তথা ঠাইতে বৰ্জিত **পানী নিষ্পত্তিকৰণ ব্যৱস্থা**ক উদ্‌গনি দিয়া হৈছে। উদাহৰণস্বৰূপে পায়খানাৰ টেংকি, ৰাসায়নিক শৌচালয়, পচন গাঁতবোৰ অন্যতম। পয়ঃপ্ৰণালী নথকা ঠাই, চিকিৎসালয়, অকলশৰীয়া ঘৰ বা ৪-৫ ঘৰৰ সমষ্টি আদিৰ বাবে পায়খানা বা মলটেংকি সুবিধাজনক।




কিছুমান সংস্থাই স্বাস্থ্যসন্মত স্থানিকভাৱে মানুহৰ মল-মূত্ৰ নিষ্পত্তিকৰণৰ প্ৰযুক্তি আগবঢ়াইছে। এই শৌচালয়বোৰত আৱৰ্জনা সংগ্ৰহ কৰা প্ৰয়োজন নহয়। মল-মূত্ৰসমূহ শৌচালয়ৰ বহা স্থানৰপৰা এটা জৈৱ গেছ প্ৰকল্পলৈ ঢাকনি থকা নৰ্দমাৰে বোৱাই নিয়া হয়। উৎপাদন হোৱা জৈৱ গেছক শক্তিৰ এটা উৎস হিচাপে ব্যৱহাৰ কৰা হয়।

### ১৮.৯ ৰাজহুৱা স্থানত থকা অনাময় ব্যৱস্থা ঃ

আমাৰ দেশত সময়ে সময়ে মেলাৰ আয়োজন কৰা হয়। এই মেলাসমূহত এক বৃহৎ সংখ্যক লোকে অংশ গ্ৰহণ কৰে। ঠিক একে ধৰণে, ৰে'লৰে ষ্টেচন, বাছ আস্থান, বিমান বন্দৰ, চিকিৎসালয়বোৰ বৰ ব্যস্ত ঠাই। নিতৌ হাজাৰ হাজাৰ লোক সেইবোৰ ঠাইলৈ আহে। বৃহত্তৰ পৰিমাণৰ আৱৰ্জনা, মল-মূত্ৰ ইয়াত জমা হয়। এই মল-মূত্ৰবোৰক যথাযথভাৱে নিষ্পত্তি কৰিব লাগে নহ'লে মহামাৰী বিয়পাব পাৰে।

চৰকাৰে অনাময়ৰ বাবে কিছুমান নিয়ম বান্ধি দিছে, কিন্তু দুৰ্ভাগ্যবশতঃ সেইবোৰ দৃঢ়ভাৱে বলবৎ হোৱা নাই।

অৱশ্যে, ৰাজহুৱা স্থানৰ অনাময় ৰক্ষা কৰাৰ বাবে আমি সকলোৱে বৰঙণি যোগাব পাৰোঁ। আমি য'তে ত'তে জাৱৰ-জোঁথৰ পেলোৱা উচিত নহয়। যদি চকুত পৰাত কোনো জাৱৰ পেলোৱা পাত্ৰ (ডাষ্টবিন) নাথাকে তেন্তে আমি যাত্ৰাৰ সময়ত উৎপন্ন জাৱৰ-জোঁথৰবোৰ ঘৰলৈ আনি জাৱৰ-জোঁথৰ পেলোৱা পাত্ৰ (ডাষ্টবিন)ত পেলোৱাটো উচিত।

